**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-02-2025
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## *Headlines*

---------------------

১।	আজিৰে পৰা দিশপুৰত অসম বিধানসভাৰ বাজেট অধিৱেশন।

২।	ৰাজ্য চৰকাৰৰ ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ ৩৮টা পৰামৰ্শ ৰূপায়ণৰ সিদ্ধান্ত।

৩।	ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি মিচিং জনজাতীয় লোকসকলৰ আলি-আয়ে-লৃগাং উদযাপন। গুৱাহাটীত কেন্দ্ৰীয় কাৰ্যসূচী।

৪।	অসম সাহিত্য সভাত এজন ব্যক্তিয়ে কেৱল এটা পদৰ দায়িত্বহে ল'ব পাৰিব বুলি সাহিত্য সভাৰ সভাপতিৰ ঘোষণা।

**আৰু**

৫।	আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতা আজি আৰম্ভ।

০০০০০০

এদিনৰ বিৰতিৰ মূৰত অসম বিধানসভাৰ বাজেট অধিবেশন আজিৰে পৰা দিশপুৰত অনুষ্ঠিত হ'ব। আজি সদনত প্ৰশ্নোত্তৰ কালৰ পাছতেই ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। আমাৰ সংবাদদাতাই জনোৱা মতে, কোকৰাঝাৰত অনুষ্ঠিত বাজেট অধিবেশনৰ প্ৰথম দিনাৰ বৈঠকত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দাখিল কৰা বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ প্ৰতিবেদনত প্ৰকাশিত কেতবোৰ প্ৰসংগ সন্দৰ্ভতো সদনৰ শূন্যকালত আলোচনা হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে ২০১৩ আৰু ২০১৪ বৰ্ষৰ অসম লোকসেৱা আয়োগে নিৰ্বাচন কৰা অসামৰিক সেৱাৰ বিষয়াৰ নিযুক্তিত হোৱা কেলেংকাৰী সন্দৰ্ভত উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাই প্ৰায় ৩ বছৰ পূৰ্বেই প্ৰতিবেদন দাখিল কৰিছিল যদিও এই প্ৰতিবেদন বিধানসভাত দাখিল কৰা হোৱা নাছিল।

কাইলৈ অসম বিধানসভাৰ বাজেট অধিবেশনৰ কাৰ্যক্ৰমণিকা অনুষ্ঠিত হোৱাৰ পাছত পৰৱৰ্তী দহ দিন সদনৰ বৈঠক অনুষ্ঠিত নহয়। ৩ মাৰ্চৰ পৰা ৭ মাৰ্চ শুকুৰবাৰলৈ সদনৰ বৈঠক অনুষ্ঠিত হ'ব। ১০ মাৰ্চত বিত্তমন্ত্ৰী অজন্তা নেওগে সদনত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে ৰাজ্যখনৰ সাধাৰণ বাজেট উত্থাপন কৰিব। বাজেট সম্পৰ্কীয় আলোচনাৰ বাবে ১১ আৰু ১২ মাৰ্চৰ দিন দুটা আছুতীয়াকৈ ৰখা হৈছে। ১৩ মাৰ্চৰ পৰা ২০ মাৰ্চলৈ সদনৰ স্থায়ী সমিতিসমূহৰ বৈঠকৰ বাবে সদনৰ কাম-কাজ স্থগিত থাকিব। ২১, ২৪ আৰু ২৫ মাৰ্চত সদনৰ কাম-কাজ অনুষ্ঠিত হ'ব আৰু ২৫ মাৰ্চত অসম বিধানসভাৰ অধিবেশন অনিৰ্দিষ্টকালৰ বাবে স্থগিত ৰখা হ'ব।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিধানসভা অধিবেশন অনুষ্ঠিত হোৱা দিনত প্ৰতি নিশা ৯ বাজি ১৫ মিনিটৰ পৰা ১০ মিনিটৰ বাবে ***বিধানসভাত আজিৰ দিনটো*** প্ৰচাৰ কৰিব। ইয়াৰ উপৰি ১০ মাৰ্চত বিত্তমন্ত্ৰীয়ে সদনত দিয়া বাজেট ভাষণ আকাশবাণী গুৱাহাটী কেন্দ্ৰই পোনপটীয়াকৈ প্ৰচাৰ কৰিব।

০০০০০০

ৰাজ্য চৰকাৰে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ ৫২টা পৰামৰ্শৰ ৩৮টা পৰামৰ্শ ৰূপায়ণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণত গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে ব্ৰহ্মপুত্ৰ উপত্যকাৰ চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয়ত অসমীয়া ভাষা বাধ্যতামূলক কৰাৰ সিদ্ধান্ত লোৱা হৈছে। একেদৰে ৰাজ্যৰ নিৰ্বাচিত ৰাজহ খণ্ডত তিনিটা প্ৰজন্মৰ বা

১৯৫১ চনৰ পূৰ্বে অসমলৈ অহা লোকহে ভূমি ক্ৰয়-বিক্ৰয় কৰিব পাৰিব। এই ক্ষেত্ৰত অনুসূচিত জাতি, জনজাতি আৰু ছয় জনগোষ্ঠীক তিনিটা প্ৰজন্মৰ বিধি ৰেহাই দিয়া হ'ব। তদুপৰি অহা ১৪ এপ্ৰিলৰ পৰা প্ৰতিখন চৰকাৰী আইন আৰু অধিসূচনা ইংৰাজীৰ লগতে অসমীয়া ভাষাত প্ৰকাশ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ে অসমীয়া ভাষালৈ ৰূপান্তকৰণৰ কাম সম্পাদন কৰিব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বঙাইগাঁও জিলাৰ যোগীঘোপাত কালি উদ্বোধন কৰা আভ্যন্তৰীণ জল পৰিবহণ টাৰ্মিনেলৰ প্ৰশংসা কৰিছে। সামাজিক মাধ্যমযোগে শ্ৰীমোদীয়ে এই প্ৰকল্পক ঐতিহাসিক বুলি অভিহিত কৰি আগলৈ ই আন্তঃগাঁথনি উন্নয়ন তথা আভ্যন্তৰীণ জল পৰিবহণ ব্যৱস্থাৰ বিকাশ আৰু অগ্ৰগতিত যথেষ্ট অৰিহণা যোগাব আশা প্ৰকাশ কৰে।

আমাৰ পূৰ্বৰ বাতৰিতে কোৱা হৈছে যে কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি যোগীঘোপাত ভূটানৰ উদ্যোগ, বাণিজ্য আৰু নিয়োগ মন্ত্ৰী নামগিয়াল দৰ্জী, ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী তথা বিশিষ্ট ব্যক্তি উপস্থিতিত আভ্যন্তৰীণ জল পৰিবহণ টাৰ্মিনেলৰ উদ্বোধন কৰে। কেন্দ্ৰীয় চৰকাৰৰ আভ্যন্তৰীণ জল পৰিবহণ প্ৰাধিকৰণৰ উদ্যোগত যোগীঘোপাৰ নৰনাৰায়ণ সেঁতুৰ কাষত ব্ৰহ্মপুত্ৰ নদীৰ পাৰত ১৫ একৰ ভূমি সামৰি এই টাৰ্মিনেলটো নিৰ্মাণ কৰা হৈছে। ৮২ কোটি টকা ব্যয় সাপেক্ষ টাৰ্মিনেলটোৰ প্ৰথম পৰ্যায়ৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈছে। ভূটানৰ গেলেফুৰ পৰা ৯১ কিলোমিটাৰ, বাংলাদেশ সীমান্তৰ পৰা ১০৮ কিলোমিটাৰ আৰু গুৱাহাটীৰ পৰা ১৪৭ কিলোমিটাৰ নিলগত অৱস্থিত এই টাৰ্মিনেলটো মুকলি হোৱাৰ পাছত যোগীঘোপা আৰু বাংলাদেশৰ মাজত জাহাজ চলাচল কৰা হ'ব। ইয়াৰ জৰিয়তে ভাৰত, চুবুৰীয়া ৰাষ্ট্ৰ ভূটান আৰু বাংলাদেশৰ মাজত জল পথেৰে বাণিজ্য সহজ আৰু সুলভ হৈ পৰিব বুলি আশা কৰা হৈছে।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি মিচিং জনজাতীয় লোকসকলে মাহজোৰা প্ৰস্তুতিৰ অন্তত কৃষিভিত্তিক উৎসৱ আলি-আয়ে-লৃগাং পালন কৰিছে। এই উৎসৱক লৈ মিচিং বসতিপ্ৰধান অঞ্চলসমূহত উখল-মাখল পৰিৱেশ বিৰাজ কৰিছে। অসমীয়া সমাজ জীৱনৰ সমন্বয়ৰ সেঁতু গঢ়ি মিচিং জনজাতীয় লোকসকলে প্ৰতিবছৰে এই উৎসৱ পালন কৰি আহিছে। আলি মানে হৈছে শস্যৰ বীজ, আঃয়েৰ অৰ্থ হৈছে গা-গছৰ ওপৰত হোৱা ফল বা গুটি আৰু লৃগাং শব্দৰ অৰ্থ হৈছে ৰোপণ কাৰ্য। এই কৃষিভিত্তিক উৎসৱত বীজ ৰোপণ কাৰ্য আৰম্ভ কৰাৰ লগতে এই উৎসৱৰ সৈতে জড়িত গীত-নৃত্যসমূহে মিচিংসকলৰ ঐতিহ্য আৰু পৰম্পৰাক প্ৰতিনিধিত্ব কৰি আহিছে। আলি-আয়ে-লৃগাং উপলক্ষে ডিব্ৰুগড়, তিনিচুকীয়া, যোৰহাট, শিৱসাগৰ, উত্তৰ-লখিমপুৰ, ধেমাজি, শোণিতপুৰ, বিশ্বনাথ চাৰিআলি, গোলাঘাট, মাজুলী আৰু চৰাইদেউ জিলাত আজি চৰকাৰী বন্ধ ঘোষণা কৰা হৈছে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে উজনি-মাজুলীতো এই উৎসৱ উপলক্ষে মিচিং জীয়ৰী-বোৱাৰীসকলে পৰম্পৰাগত গীত-নৃত্যৰে  পৰিৱেশ মুখৰ কৰি তুলিছে।

মাজুলীত অহা ২২ আৰু ২৩ ফেব্ৰুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে আলি-আয়ে-লৃগাং উদযাপন সমিতিৰ উদ্যোগত দ্বিতীয়বাৰৰ বাবে এই উৎসৱৰ আয়োজন কৰা হৈছে।

ইপিনে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু সদৌ গুৱাহাটী মিচিং কেবাঙৰ সহযোগত আজি পাঞ্জাবাৰীৰ শিল্পগ্ৰামত আলি-আয়ে-লৃগাঙৰ কেন্দ্ৰীয় কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই মুখ্য অতিথি হিচাপে আৰু ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত গুৱাহাটীৰ লোক সমষ্টিৰ সাংসদ, বিজুলী কলিতা মেধি, ঢকুৱাখনা বধান সভা সমষ্টিৰ বিধায়ক নৱকুমাৰ দলে আৰু মাজুলী বিধান সভা সমষ্টিৰ বিধায়ক ভূবন গাম বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। জোনাই বিধানসভা সমষ্টিৰ বিধায়ক ভূবন পেগুৱে এই অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে ভাগ ল'ব।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আলি-আয়ে-লৃগাং উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। শস্য সিঁচাৰ এই পৱিত্ৰ উৎসৱে ধৰিত্ৰীক উৰ্বৰা কৰি কৃষকৰ সপোন সফল কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কামনা কৰে।

০০০০০০

অসম সাহিত্য সভাত এজন ব্যক্তিয়ে কোনো কাৰণতে এটাতকৈ অধিক পদ নাপাব বুলি অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে ঘোষণা কৰিছে। সভাপতি হিচাপে প্ৰথমবাৰলৈ কালি যোৰহাটৰ ৰাধাকান্ত সন্দিকৈ ভৱনত এখন সংবাদ মেল সম্বোধন কৰি ড০ গোস্বামীয়ে প্ৰকাশ কৰে যে সাহিত্য সভাৰ নতুন কাৰ্যনিৰ্বাহক সমিতিত এটা পৰিয়ালৰ কেৱল এজন ব্যক্তিক অন্তৰ্ভুক্ত কৰা হ'ব। পূৰ্বতে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহকৰ গুৰুত্বপূৰ্ণ পদ গ্ৰহণ কৰিও একো কাম নকৰা অথবা এখনো কাৰ্যনিৰ্বাহক সভাত উপস্থিত নথকা ব্যক্তিক কাৰ্যনিৰ্বাহকত অন্তৰ্ভুক্ত কৰা নহয় বুলিও তেওঁ স্পষ্ট কৰি দিয়ে। তদুপৰি অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহকে ধৰি অন্যান্য কেন্দ্ৰীয় কাৰ্যসূচী ৰূপায়ণ কৰি সংবিধানৰ আধাৰত অনুষ্ঠান হৈ যোৱাৰ নিৰ্ধাৰিত ২৫ দিন পাছতো হিচাপ দাখিল নকৰা ব্যক্তিকো এইবাৰ কোনো পদবীৰ বাবে মনোনীত কৰা নহয় বুলি তেওঁ উল্লেখ কৰে। সভাপতিগৰাকীয়ে লগতে কয় যে অসম সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিত ৩৩ শতাংশ মহিলাৰ স্থান নিশ্চিত কৰাৰ উপৰি কুঁহি উপ-সমিতিৰ আহ্বায়ক মইনা পাৰিজাতৰ সৈতে জড়িত আৰু আকাশ উপ-সমিতিৰ আহ্বায়ক নাৰী সংগঠনৰ সৈতে জড়িত মহিলাক প্ৰাধান্য দি মনোনীত কৰা হ'ব। কাৰ্যনিৰ্বাহক সমিতিৰ নিৰ্বাচিত মনোনীত সদস্যসকলক গামোছা বা উপহাৰৰ পৰিৱৰ্তে একোখনকৈ কিতাপ দিয়া হ'ব বুলি ড০ গোস্বামীয়ে উল্লেখ কৰে। তেওঁ লগতে জানিবলৈ দিয়ে যে ২০২৫-২৭ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিৰ অধিবেশন এদিনীয়াকৈ অনুষ্ঠিত হ'ব আৰু সভাত কাৰ্যনিৰ্বাহক সমিতিৰ জনগোষ্ঠীয়, জনজাতীয় কোনো সংগঠনৰ মুৰব্বী বা নেত্ৰী - সভাপতি, উপ-সভাপতি, সাধাৰণ সম্পাদক, সহকাৰী সম্পাদক, কাৰ্যনিৰ্বাহকৰ মূল সমিতিত অন্তৰ্ভুক্ত কৰা নহয়।

তদুপৰি ভাৰতীয় সংবিধানৰ ২১ অনুচ্ছেদ অনুযায়ী সকলো অধ্যাদেশ, বিধানসভাৰ দ্বাৰা ঘোষিত সকলো আইন, বিধানসভাত উত্থাপন কৰিবলগীয়া বিধেয়ক বা সংশোধনী আদি অসমীয়া ভাষাত প্ৰকাশ কৰা হ'ব বুলি চৰকাৰে কৰা ঘোষণা কাৰ্যকৰী কৰিবলৈ লোৱা সিদ্ধান্ত অসম সাহিত্য সভাই আদৰণি জনাইছে।

০০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি গুৱাহাটীৰ জনতা ভৱনত ৰাষ্ট্ৰীয় দক্ষতা বিকাশ নিগমৰ বিষয়া মায়ংক ভাটনাগৰ, ডং স্মিতা চেতিয়া তালুকদাৰ, এফ খান, শিলাদিত্য চৰকাৰ আৰু শ্যামজ্যোতি ডেকাৰ সৈতে বৈঠকত মিলিত হয়। শিক্ষামন্ত্ৰীগৰাকীয়ে তেওঁলোকৰ সৈতে ৰাজ্যৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, সাধাৰণ ডিগ্ৰী মহাবিদ্যালয় আৰু কাৰিকৰী প্ৰতিষ্ঠানসমূহত সাধাৰণ পাঠ্যক্ৰমৰ সৈতে দক্ষতা শিক্ষাক একত্ৰিত কৰাৰ বিষয়ে আলোচনা কৰে। তেওঁ লগতে ইয়াৰ ৰূপায়ণৰ বাবে বিষয়াসকলক ৰূপৰেখা প্ৰস্তুত কৰিবলৈ আহ্বান জনায়।

০০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ নৱম সংস্কৰণ আজি আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত পাকিস্তানৰ কৰাচীত আজি যোৱাবাৰৰ বিজয়ী পাকিস্তান নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব।

পাকিস্তান আৰু সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰত হ'বলগীয়া আৰু বিশ্বৰ শীৰ্ষস্থানৰ ৮খন দেখে অংশ ল'বলগীয়া প্ৰতিযোগিতাখনৰ গ্ৰুপ-এত ভাৰত, নিউজিলেণ্ড, বাংলাদেশ আৰু আয়োজক পাকিস্তান তথা গ্ৰুপ-বিত আফগানিস্তান, অষ্ট্ৰেলিয়া, ইংলেণ্ড আৰু দক্ষিণ আফ্ৰিকাক ৰখা হৈছে। প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন অহা ৯ মাৰ্চত খেলোৱা হ'ব। ২০১৭ চনত অনুষ্ঠিত চেম্পিয়নছ ট্ৰফীৰ শেহতীয়া সংস্কৰণত পাকিস্তানে ভাৰতক পৰাস্ত কৰি চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছিল। ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতে কাইলৈ ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত নিজৰ প্ৰথমখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল**

**এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

অসম লোকসেৱা আয়োগৰ নিযুক্তি কেলেংকাৰী সন্দৰ্ভত বিপ্লৱ কুমাৰ শৰ্মা আয়োগে প্ৰকাশ কৰা প্ৰতিবেদনক লৈ ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰকাশিত প্ৰতিবেদনখনত কেইবাজনো ৰাজনৈতিক নেতাৰ নাম প্ৰকাশ পোৱাৰ পাছতেই বিষয়টোৱে ব্যাপক চৰ্চা লাভ কৰিছে। আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন বাতৰিকাকতেই এই বাতৰিটোক মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। অসমীয়া প্ৰতিদিন কাকতে **'এ পি এছ চিৰ বৃহত কেলেংকাৰি, তদন্ত প্ৰতিবেদনক লৈ ৰাজ্য তোলপাৰ ৰাজ্য'** শিৰোনামেৰে বাতৰিটো প্ৰকাশ কৰাৰ লগতে বিধায়ক অখিল গগৈ, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই প্ৰতিক্ৰিয়া প্ৰকাশ কৰা বাতৰি দুটাও বিস্তৃতভাৱে পৃথকে প্ৰকাশ কৰিছে। অসমীয়া খবৰ, নিয়মীয়া বাৰ্তা, আমাৰ অসম, দৈনিক জনমভূমি, দৈনিক অগ্ৰদূত কাকতে ভিন ভিন শিৰোনামেৰে একেটা বাতৰিকে মুখ্য বাতৰি হিচাপে প্ৰথম পৃষ্ঠাত স্থান দিছে।

কালি যোগীঘোপাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আভ্যন্তৰীণ জল পৰিৱহণ টাৰ্মিণেলৰ উদ্বোধন কৰাৰ পাছতেই এই প্ৰকল্পটোৱে ভাৰত ভূটান আৰু বাংলাদেশৰ মাজত ত্ৰিপাক্ষিক বাণিজ্য সম্প্ৰসাৰণ কৰিব বুলি আশা কৰা হৈছে। এই বাতৰিটোক আন কাকতসমূহৰ লগতে The Assam tribune আৰু The sentinal কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

টাই আহোম যুৱ পৰিষদৰ সোণাৰী শাখাই শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংবিধান দাহ কৰি গহপুৰৰ এটা পৰিয়ালক সংঘই এঘৰীয়া কৰাৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ পাছতেই টাইপাৰ বিৰুদ্ধে ৰাজ্যৰ কেবাখনো থানাত সংঘৰ শাখাসমূহে গোচৰ ৰুজু কৰিছে। এই বাতৰিটোৱেও প্ৰায়কেইখন কাকততেই আজি প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কাটাৰৰ আমিৰ শ্বেইখ তামিম বিন হামাড আল থানীৰ সৈতে নতুন দিল্লীত হোৱা বৈঠকত দেশ দুখনৰ মাজত বিভিন্ন খণ্ডৰ সম্পৰ্ক অধিক শক্তিশালী কৰাৰ পোষকতা কৰাৰ বাতৰিটোক The times Of india কাকতে মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰিছে। আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পোৱা আন কেইটামান প্ৰধান বাতৰি হ 'ল নিৰাপত্তাৰ মাজত আজিৰে পৰা গুৱাহাটীত বাজেট অধিৱেশন , বিতৰ্কিত চিকিৎসক মৃদুপৱন নাথক গ্ৰেপ্তাৰ আৰক্ষীৰ , মহাকুম্ভক মৃত্যুকুম্ভ আখ্যা দিয়া মমতা বেনাৰ্জীৰ মন্তব্যক লৈ দেশজুৰি বিতৰ্ক , দিল্লীত অমিত শ্বাহক সাক্ষাত মুখ্যমন্ত্ৰীৰ , জ্ঞানেশ কুমাৰক দেশৰ নতুন মুখ্য নিৰ্বাচন আয়ুক্ত হিচাপে নিযুক্তি কেন্দ্ৰীয় চৰকাৰৰ ইত্যাদি।

০০০০০০

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ লগতে দিনৰ ভাগত বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অসম, মণিপুৰ আৰু ত্ৰিপুৰাৰ ঠাই বিশেষ ধুমুহা গাজনিৰে বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। আনহাতে অৰুণাচল প্ৰদেশৰ সুউচ্চ স্থানত পাতলীয়াকৈ বৰফ পৰাৰ আৰু মেঘালয়, মিজোৰাম আৰু মণিপুৰত ঠাই বিশেষে পাতলীয়া বৰষুণৰ পৰাৰ সম্ভাৱনা প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত